

১

# বেবেৰিবাং

ফুচুক ফাচাক কথা এটাই
চুচুক চামাক কৈ
জুপুক জাপাক বুঢ়াৰ পেটত
আছিল কথমপি ৰৈ।
★পোলাক পালাক চকুৰে চাই
মোলোক দেউ আহিল
গুজুক গাজাক কথাৰ মেল
তিনি পৰ মান বহিল
ঘোটোক ঘাটাক চাহপানী খাই
তামোল মটক্ মাটাক,
মোলোক দেউ যাবলৈ ওলাল
খৰম খটক্ খাটাক।
ফুচুক ফাচাক কথাই ইফালে
ওলাব নোৱৰা হৈ
ভাত উতলাদি উতলি আছিল
ভুতুক্ ভাতাক কৈ।
ভল ভলীয়া বুঢ়া সলসলীয়া মুখ
এবাৰ সুৰুঙা পাই
★ঢোলোক ঢালাক বাগৰি পৰিল
ফুচুক ফাচাক কাই।
টুপুক টাপাক বুটলি লৈ
পেটত ভৰালে ঠাহি।
মোলোক দেউৰে বাট বুলিলে
মুচুক মাচাক হাঁহি।

কবি — ড॰ নিৰ্মলপ্ৰভা বৰদলৈ

(উৎস ঃ মৰুৱা ফুল, পৃষ্ঠা- ২৫৭, সম্পাদনা- নবকান্ত বৰুৱা, পঞ্চম প্ৰকাশ-২০০৮, প্ৰকাশক- অসম প্ৰকাশন পৰিষদ।
★ কবিতাটিত ‘পোলোক পালাক’, ‘ঢোলোক ঢালাক’ ৰূপ আছে যদিও অভিধান মতে ‘পুলুক্ পালাক’ আৰু ‘ঢুলুক্ ঢালাক’ হ’ব লাগে।)



২

১) কবিতাফাকিৰ পৰা তলত দিয়া প্ৰশ্নকেইটাৰ উত্তৰ লিখা।

(ক) ফুচুক ফাচাক কথা এটাই
চুচুক চামাক কৈ
জুপুক জাপাক বুঢ়াৰ পেটত
আছিল কথমপি ৰৈ।

- কেনেকুৱা কথা এটাই চুচুক-চামাককৈ ৰৈ আছিল ?

.........................................................................

- কাৰ পেটত কথাটো কথমপি ৰৈ আছিল ?

.........................................................................

(খ) পোলাক পালাক চকুৰে চাই
মোলোক দেউ আহিল
গুজুক গাজাক কথাৰ মেল
তিনি পৰ মান বহিল।

- পোলাক পালাক চকুৰে চাই কোন আহিছিল ?

.........................................................................

- কথাৰ মেল কিমান পৰ বহিছিল ?

.........................................................................

(গ) কবিতাটিৰ পৰা ক বৰ্ণৰে শেষ হোৱা শব্দবোৰ বাছি উলিয়াই লিখোঁ।

.........................................................................

.........................................................................

.........................................................................



৩

১) উত্তৰ লিখা।

(ক) বুঢ়াৰ পেটৰ পৰা কি ওলাব নোৱৰা হৈ আছিল ?

.................................................................................।

(খ) মোলোক দেউ কেনেকৈ যাবলৈ ওলাল ?

.................................................................................।

(গ) মোলোক দেউৱে কেনেদৰে বাট বুলিছিল ?

.................................................................................।

(ঘ) ভাত উতলাদি উতলি আছিল

ভুতুক ভাতক কৈ।

ভাত শব্দটো বিশেষ্য পদ। ইয়াৰ বিশেষণ ৰূপটো **ভতুৰা**।

ভাত → ভাতুৰা

**২) এনে ধৰণৰ শব্দৰে তলৰ তালিখন পূৰ কৰোঁ**

| বিশেষ্য | বিশেষণ | বাক্য |
|---|---|---|
| বন | বনুৱা | বনুৱাজনে ঘাঁহ কাটিছে। |
| ৰণ | | |
| ঘৰ | | |
| সাৰ | | |
| খাৰ | | |
| পলস | | |

unicef for every child



৪

**(ক) শেষৰ আখৰটোৰ মিল থকা শব্দ লিখো।**

কৈ → গৈ → বৈ ........., ........, ........., ........,

| | | | | |
|---|---|---|---|---|
| মুচুক মাচাক | | → | | → |
| টুপুক টাপাক | | → | | → |
| কুৰুক কাৰাক | | → | | → |
| চলচলীয়া | | → | | → |
| কিচ্‌কিচিয়া | | → | | → |

আচল শব্দৰ বল বৃদ্ধি কৰিবলৈ তাৰ লগত কেতিয়াবা **অনুৰূপ** আকৃতিৰ ওপৰঞ্চি শব্দ ব্যৱহাৰ কৰা হয়। এই শব্দবিলাকক অনুৰূপ শব্দ বোলে। ধ্বনিক অনুকৰণ কৰি যিবোৰ শব্দৰ ব্যৱহাৰ হয় তাকে **ধ্বন্যাত্মক** বা **অনুকাৰ** শব্দ বোলে।

**(খ) কবিতাফাকি পঢ়োঁ আৰু অনুৰূপ শব্দবোৰত ◯ চিন দিওঁ।**

ঘৰ চৰ ভাঙি নিলে
বৰদৈচিলাই
ৰহিমলাই কান্দি আছে
ইনাই বিনাই।
চাউল তাউল একো নাই
খৰিবোৰো তিতা
ছাগলী টাগলী কেনি গ'ল
ছেদেলি ভেদেলি হ'ল।

unicef for every child



## তলত দিয়া শব্দৰে কবিতা দুফাকি সম্পূৰ্ণ কৰোঁ




(ক) নিজৰা বৈ যায়

কুল্ কুল্ কৈ

ভোমোৰাই উৰি ফুৰে

................ কৈ।

বতাহত বাঁহ জোপাই

................ কৰে,

আকাশৰ তৰাবোৰে

................ কৰে।

(খ) অবাধ্য হ'লে দেউতাই

............কৰে,

............. হাঁহি মাৰি

ভাইটি লৰ মাৰে।

আইতা আছে ওচৰ চাপি

............কৰি,

ভন্টিও আছে বিস্কুট খাই

............কৰি।



## পঢ়োঁ



ঘৰ চৰ ভাঙি নিলে
বৰদৈচিলাই
ৰহিমলাই কান্দি আছে
ইনাই বিনাই।
চাউল তাউল একো নাই
খৰিবোৰো **তিতা**
ছাগলী টাগলী কেনি গ'ল
ছেদেলি ভেদেলি হ'ল।



কবিতাটিত তোমালোকে তিতা শব্দটো পাইছা। এই তিতা শব্দটোৱে বাক্য ভেদে বেলেগ বেলগ অৰ্থ প্ৰকাশ কৰে।

তলৰ বাক্য দুটালৈ মন কৰা আৰু **তিতা** শব্দটোৱে কোনটো বাক্যত কি অৰ্থ কৰিছে মন কৰোঁ —

(ক) **তিতা** কাপোৰবোৰ ৰ'দত দিয়া।
(খ) পংকজে **তিতা** বস্তু খাবলৈ বেয়া পায়।

**(খ) শব্দৰ লগত অৰ্থ মিলাওঁ**

| **শব্দ** | **অৰ্থ** |
|---|---|
| আটা | শুনা ইন্দ্ৰিয় |
| আতা → | কান্ধ |
| কাণ | ঘেহুঁৰ গুড়ি |
| কান | → পিতাকৰ পিতাক |



**পঢ়োঁ**



## অঘাইটং ল'ৰা

কবি — লীলা গগৈ

পঢ়াশালিত ভোটাৰাম
ঘৰত মাতে ভটং,
ল'ৰা নহয় এলাপেচা
বৰ অঘাইটং।

এদিনাখন ভটং বোপাই
ঘটং ঘটং কৰি,
হাত এখনি পতং পেলালে
গছৰ পৰা পৰি।

কলং নদীৰ দলং খনত
তলং ভলং কৰি,
জপং কৰে ভটং বোপাই
দিয়ে পানীত পৰি।

ৰংমনে খং কৰি
ৰং লগাই কয়,
ভটং বোপাই খাটাং কথা
মনত পেলাই থয়।

➤ **তলৰ শব্দবোৰেৰে এটা কবিতা লিখোঁ**

| | | |
|---|---|---|
| খট্ খট্ | টং টং | জক্ মক্ |
| গুৰুম্ গুৰুম্ | মুৰুক্ মাৰাক্ | খপ্ জপ্ |
| টিক্ টিক্ | কক্ বক্ | ঢলং পলং |

(উৎস ঃ মৰুৰা ফুল, পৃষ্ঠা - ২৩৭, সম্পাদনা - নবকান্ত বৰুৱা, প্ৰকাশক ঃ অসম প্ৰকাশন পৰিষদ)

unicef
for every child



## কাষৰ বাকচৰ শব্দৰে দফাটো পূৰ কৰোঁ

৮

নয়ন এজন..................... ল'ৰা। পিচে সি ........................ কাপোৰ পিন্ধি ভাল নাপায়। তাৰ কাম-কাজবোৰ ......................। কাম কৰোঁতে সি.............................নকৰে। কোনো কথাত তাৰ ............... অবস্থা নহয়। সি তাৰ মনৰ ভাব .................. কৈ প্ৰকাশ কৰিব পাৰে। তাৰ মাতটোও ............................। এদিন এখন সভাত সি ছহিদসকলৰ বিষয়ে কৈ আছিল। তাৰ ভাষণ শুনি লগৰীয়াৰ চকু .......................... হৈছিল।

| |
|---|
| গল্‌গলীয়া |
| সল্‌সলীয়া |
| চল্‌চলীয়া |
| পৰিপাটি |
| ৰং চঙীয়া |
| তজ্‌বজীয়া |
| খদম্‌দম্‌ |
| খপ্‌জপ্‌ |

**দৈনন্দিন জীৱনত কথা কওঁতে ব্যৱহাৰ কৰা বিশেষ্য পদ আৰু অনুৰূপ শব্দ তলৰ তালিকাত লিখোঁ**

| বিশেষ্য পদ | অনুৰূপ শব্দ |
|---|---|
| ১) | ১) |
| ২) | ২) |
| ৩) | ৩) |
| ৪) | ৪) |
| ৫) | ৫) |
| ৬) | ৬) |
| ৭) | ৭) |
| ৮) | ৮) |
| ৯) | ৯) |
| ১০) | ১০) |



## কবি পৰিচয়

৯



**ড॰ নিৰ্মলপ্ৰভা বৰদলৈ (১৯৩৩-২০০৬ চন)** — ড॰ নিৰ্মলপ্ৰভা বৰদলৈ একেধাৰে কবি, গীতিকাৰ, প্ৰবন্ধকাৰ, শিশু-সাহিত্যক, ঔপন্যাসিক আৰু অসমীয়া সাহিত্যৰ গৱেষক আছিল। ‘বন ফৰিঙৰ ৰং’, ‘দিনৰ পাছত দিন’, ‘সমীপেষু’, ‘অন্তৰংগ’, ‘সুদীৰ্ঘ দিন আৰু ঋতু’ আদি তেখেতৰ উল্লেখযোগ্য কবিতা সংকলন। তেখেতে ‘সুদীৰ্ঘ দিন আৰু ঋতু’ নামৰ কবিতা পুথিখনৰ বাবে ১৯৮৩ চনত সাহিত্য একাডেমী বঁটা লাভ কৰে।

বৰদলৈৰ শিশু সাহিত্যৰ ভিতৰত ‘ওমলা গীত’, ‘কথা সৰিৎসাগৰ’, ‘সুৱদী মাত’, ‘সুৰীয়া মাত’, ‘শালিকা ৰটৌ টৌ’ আদি উল্লেখযোগ্য। ‘চিল চিল চিলা’ শিশু পুথিখনৰ বাবে গীত’ নামৰ পুথিখনৰ বাবে ৰাষ্ট্ৰীয় বঁটা লাভ কৰে। তদুপৰি তেখেতে অসমৰ বিভিন্ন প্ৰান্তৰ দৌল- দেৱালয় আৰু দেৱীকেন্দ্ৰীক গ্ৰন্থ ‘দেৱী’ৰ কাৰণে তেখেতে অসম সাহিত্য সভাৰ বঁটা লাভ কৰে। ড॰ নিৰ্মলপ্ৰভা বৰদলৈ দুধনৈত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ সভাপতি আছিল। তেখেতে গুৱাহাটী বিশ্ববিদ্যালয়ত অসমীয়া বিভাগৰ ৰীডাৰ আৰু প্ৰফেছাৰ ৰূপে কাৰ্যনিৰ্বাহ কৰি অৱসৰ লয়।

(ক) ড॰ নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতা সংকলন কেইখন আৰু কি কি ?

.................................................................................................

.................................................................................................

(খ) ড॰ নিৰ্মলপ্ৰভা বৰদলৈয়ে কোনখন শিশু পুথিৰ বাবে ৰাষ্ট্ৰীয় বঁটা লাভ কৰিছিল ?

.................................................................................................

(গ) ড॰ নিৰ্মলপ্ৰভা বৰদলৈয়ে অসম সাহিত্য সভাৰ কোনখন অধিৱেশনৰ সভাপতি আছিল ?

.................................................................................................

unicef for every child



## টোকাটো পূৰ কৰোঁ



**ড॰ নিৰ্মলপ্ৰভা বৰদলৈ (১৯৩৩-২০০৬ চন)** — ড॰ নিৰ্মলপ্ৰভা বৰদলৈ একেধাৰে কবি, ..............., প্ৰবন্ধকাৰ, শিশু-সাহিত্যক, ঔপন্যাসিক আৰু .......... সাহিত্যৰ গৱেষক আছিল। 'বন ফৰিঙৰ ৰং', 'দিনৰ পাছত দিন', 'সমীপেষু', 'অন্তৰংগ', '..............................' আদি তেখেতৰ উল্লেখযোগ্য .......... সংকলন। তেখেতে 'সুদীৰ্ঘ দিন আৰু ঋতু' নামৰ ............ পুথিখনৰ বাবে ১৯৮৩ চনত সাহিত্য একাডেমী ............ লাভ কৰে। বৰদলৈৰ শিশু সাহিত্যৰ ভিতৰত '...............', 'কথা সৰিৎসাগৰ', 'সুৱদী মাত', 'সুৰীয়া মাত', 'শালিকা ৰটৌ টৌ' আদি ............। 'চিল চিল চিলা' ........ পুথিখনৰ বাবে গীত' নামৰ পুথিখনৰ বাবে ৰাষ্ট্ৰীয় ....... লাভ কৰে। তদুপৰি তেখেতে অসমৰ বিভিন্ন প্ৰান্তৰ দৌল- দেৱালয় আৰু দেৱীকেন্দ্ৰীক গ্ৰন্থ 'দেৱী'ৰ কাৰণে তেখেতে ........................... বঁটা লাভ কৰে। ড॰ নিৰ্মলপ্ৰভা বৰদলৈ ............ অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ .......... আছিল। তেখেতে গুৱাহাটী বিশ্ববিদ্যালয়ত ............... বিভাগৰ ৰীডাৰ আৰু প্ৰফেছাৰ ৰূপে কাৰ্যনিৰ্বাহ কৰি অৱসৰ লয়।



১১

# বৰদৈচিলা

কবি – হেমচন্দ্ৰ গোস্বামী

চ’তৰ বিহুত বৰদৈচিলা
মাকৰ ঘৰলৈ যায়,
গছ-গছনি ঘৰ-দুৱাৰ
নিয়ে উৰুৱায়।
হিল দল ভাঙি
মেলিছে ঢাপলি,
লগত নিছে লগৰীয়া
যত বা মাৰলি।
আউল বাউল চুলি মেলি
মাৰিছা কিয় লৰ ?
লাহে ধীৰে গ’লেও দেখোন
পাবা মাৰাৰ ঘৰ।
চোতালত দিছোঁ বৰপীৰা
কাকৈ ফণি তাতে,
মূৰৰ চুলি মেলাই যোৱা
ৰজাৰ ৰাজবাটে।
মাৰাই দিব মাধৈ ফুল
বাপেৰাই দিব খাৰু,
ককায়েৰাই দিব কাপোৰ কানি
ভায়েৰাই দিব কেৰু।
শুবলৈ দিব শীতল পাটি
বহিবলৈ দিব পীৰা,
খাবলৈ দিব জহা ধানৰ
দোৱা ভজা চিৰা।
কাবৌ কৰি মাতিছো আমি
লাহে ধীৰে যোৱা,
আমাৰ পঁজা ঘৰ কেইটি
ভালে ভালে থোৱা।

(উৎস ঃ মৰুৱা ফুল, পৃষ্ঠা- ১৩১, সম্পাদনা- নৱকান্ত বৰুৱা, প্ৰকাশক - অসম প্ৰকাশন পৰিষদ।)



(ক) বৰদৈচিলা কি ?

.......................................................................

(খ) 'বৰদৈচিলা' পদ্যতো কোনে ৰচনা কৰিছিল ?

.......................................................................

(গ) বৰদলৈচিলা আহিলে আমাৰ কি কি ক্ষতি হয় ?

.......................................................................

(ঘ) বৰদৈচিলাৰ লগৰীয়া কোন ?

.......................................................................

(ঙ) বৰদৈচিলাক কোনে কি কি দিব বুলি কবিয়ে কৈছে ?

মাৰাই — ....................................

বাপেৰাই — ....................................

ককায়েৰাই — ....................................

ভায়েৰাই — ....................................

(ছ) পাঠটোত থকা যুৰিয়া শব্দবোৰ বিচাৰি লিখোঁ।

.......................................................................

.......................................................................

(ছ) বৰদৈচিলাৰ দৰে আন ধুমুহা বতাহৰ নাম লিখো।

.......................................................................



## জানি থওঁ

১৩

**যুৰীয়া শব্দ** - দুটা শব্দ লগ হৈ বা যোৰ হৈ গঠন হোৱা শব্দকে **যুৰীয়া শব্দ** বোলে। উদাহৰণ – গছ-গছনি, ঘৰ-দুৱাৰ।

যুৰীয়া শব্দ তিনি প্ৰকাৰৰ —

(১) কিছুমান শব্দত থকা দুয়োটা শব্দই প্ৰায় একে অৰ্থকে বুজায়।
যেনে- পৰ্বত-পাহাৰ, গছ-গছনি আদি।

(২) কিছুমান শব্দত থকা দুয়োটা শব্দই সিহঁতৰ নিজৰ অৰ্থৰ ওপৰিও এটি সমূহীয়া অৰ্থ বুজায়। যেনে- কাপোৰ-কানি, টকা-পইচা।

(৩) কিছুমান শব্দত থকা দুয়োটা শব্দই অৰ্থৰ সমাহাৰ বুজায়।
যেনে- ভাল-বেয়া, সুখ-দুখ।

**কাৰ্য ঃ মই জনা দহটা অনুকাৰ শব্দ আৰু দহটা যুৰীয়া শব্দ লিখোঁ**

| অনুকাৰ শব্দ | যুৰীয়া শব্দৰ |
|---|---|
| | |

## পঢ়োঁ




**বৰদৈচিলা** – বৰদৈচিলা মাৰ্চ–এপ্ৰিল (ফাগুন-চ'ত) মাহত অসমলৈ মৌচুমি বায়ুৰ প্ৰৱেশৰ বাবে হোৱা এক ধুমুহাৰ নাম। বৰদৈচিলাৰ কবলত ঘৰ-দুৱাৰ, গছ-গছনি আদি বহুত ক্ষতি হয়।


বৰদৈচিলা সম্পৰ্কে অসমত লোকবিশ্বাস আছে যে বৰদৈচিলা এগৰাকী বিবাহিত মহিলা। ব'হাগ মাহত তেওঁ মাকৰ ঘৰলৈ আহে। প্ৰবল বেগত অহাৰ কাৰণে ধুমুহাৰ সৃষ্টি হয়। তুমি জানানে বৰদৈচিলা অহা সময়ত চোতালত দাপোন, ফণী আৰু বৰপীৰা পাৰি দিলে ধুমুহাৰ ক্ষয় ক্ষতি কম হয় বুলি লোকবিশ্বাস আছে।

এই লোকবিশ্বাসৰ ওপৰত ভিত্তি কৰিয়েই কবিয়ে বৰদৈচিলাক কবিতাটোত সুন্দৰভাৱে উপস্থাপন কৰিছে।

## বিভিন্ন প্ৰকাৰৰ ধুমুহা বতাহ




**ঘূৰ্ণী বতাহ** - সাগৰত জোৱাৰ ভাটাৰ ফলত সৃষ্টি হোৱা বতাহ। ঘূৰ্ণী বতাহে ঘন্টাত ১৫০ কিলমিটাৰ বেগেৰে সাগৰৰ উপকূল অঞ্চল লৈ গতি কৰি ব্যাপক ক্ষয় ক্ষতি কৰে।



**আমফান** - আমফান আন এবিধ সাগৰীয় ঘূৰ্ণী বতাহ। ফণিৰ গতিবেগ ঘন্টাত ২৪০-২৬০ কি.মি.।



**ফণী** - ফণীও এবিধ সাগৰীয় ঘূৰ্ণী বতাহ। ফণীৰ গতিবেগ ঘন্টাত ২২৫-২৫০ কি.মি.।



**বুলবুল** - বুলবুলো এবিধ সাগৰীয় ঘূৰ্ণী বতাহ। ইয়াৰ গতিবেগ ঘন্টাত ১২০-১৩০ কি.মি.।

**প্ৰতিশব্দ** ঃ উপকূল - সাগৰৰ তীৰ বা পাৰ

unicef for every child

১৫

## মানচিত্ৰ চাওঁ




### ভাৰতৰ উপকূল অঞ্চলত অৱস্থিত ৰাজ্যসমূহ আৰু দৈৰ্ঘ্য –

| ৰাজ্য | আন্দামান দ্বীপপুঞ্জ | গুজৰাট | অন্ধ্ৰপ্ৰদেশ | তামিলনাডু | মহাৰাষ্ট্ৰ | কেৰেলা | উৰিষ্যা | কৰ্ণাটক | গুৱা, দমন, দিউ |
|---|---|---|---|---|---|---|---|---|---|
| উপকূল (কিলমিটাৰত) | ১৯৬২ | ১২১৪.৭ | ৯৭৩.৭ | ৯০৬.৯ | ৬৫২.৬ | ৫৬৯.৭ | ৪৭৬.৪ | ২৮০ | ১৬০.৫ |

| ৰাজ্য | পশ্চিম বংগ | লক্ষদ্বীপ পুঞ্জ | পণ্ডিচেৰী | সৰ্বমুঠ উপকূলৰ দৈৰ্ঘ্য |
|---|---|---|---|---|
| উপকূল (কিলমিটাৰত) | ১৫৭.৫ | ১৩২ | ৩০.৬ | ৭৫১৬.৬ |

unicef for every child





১) দৈঘ্য অনুযায়ী উপকূলীয় ৰাজ্যসমূহ উৰ্দ্ধক্ৰমত (সৰুৰ পৰা ডাঙৰলৈ) সজাওঁ

২) দৈঘ্য অনুযায়ী উপকূলীয় ৰাজ্যসমূহ অধঃক্ৰমত (ডাঙৰৰ পৰা সৰুলৈ) সজাওঁ

৩) কোনখন ৰাজ্যৰ উপকূলৰ দৈঘ্য আটাইতকৈ বেছি ?

....................................................................................

৪) কোনখন ৰাজ্যৰ উপকূলৰ দৈঘ্য আটাইতকৈ কম ?

....................................................................................

৫) আটাইতকৈ বেছি আৰু কম উপকূল দৈঘ্যৰ ৰাজ্য দুখনৰ মাজৰ ব্যৱধান কিমান কিল'মিটাৰ ?

....................................................................................

৬) ভাৰতৰ সৰ্বমুঠ উপকূলৰ দৈঘ্য কিমান ?

....................................................................................








সময় এতিয়া দুপৰীয়া ১ বাজিছে। এতিয়া দুপৰীয়াৰ বাতৰিৰ সময়। তুমি পৰিয়ালৰ সৈতে বহি টিভিত বাতৰি চাই আছে। টিভিত ঘোষণা কৰিছে যে বঙ্গোপসাগৰত সৃষ্টি হোৱা প্ৰচণ্ড ঘূৰ্ণীবতাহে উৰিষ্যাৰ উপকূলত বহুত ক্ষতি কৰিছে। ইতিমধ্যে ১০ জন লোকৰ মৃত্যু হৈছে।




**কাৰ্য- ১ ঃ** এই ধুমুহাজাক অসম আহি পাবলৈ কিমান সময় লাগিব ?

**কাৰ্য- ২ ঃ** এনে সময়ত মই কি কি সৰ্তকতা ল'ম ?

unicef
for every child





**কাৰ্য - ১** এখন ৰে'লে ঘন্টাত ৮০ কিল'মিটাৰ বেগেৰে যায়। ৫ ঘন্টা একেৰাহে ৰে'লখন গৈ থাকিলে কিমান কিল'মিটাৰ দূৰলৈ যাব ?

**কাৰ্য - ২** এখন বাছ ঘন্টাত ৪০ কিল'মিটাৰ বেগত চলে। যদি বাছখন ৩ ঘন্টা একেৰাহে চলি থাকে তেনেহ'লে কিমান কিল'মিটাৰ যাব ?

**কাৰ্য - ৩** তুমি যোৰহাটৰ পৰা গুৱাহাটিলৈ যাব খুজিছা। যোৰহাটৰ পৰা গুৱাহাটীলৈ দূৰত্ব ৩৯০ কিল'মিটাৰ। কিমান কিল'মিটাৰ বেগত তুমি গাড়ী চলালে ৬ ঘন্টাত গুৱাহাটি গৈ পাবা ?



## ধুমুহাৰ সময়ত ল'বলগা সৰ্তকতা আৰু সাৱধনতাসমূহ ঃ

১৯

বিদ্যুৎ পৰিবাহী
তাঁৰ বা খুটাৰ
ওচৰত আশ্ৰয় ল'ব
নালাগে।





জ্বলি থকা
জুই ততালিকে
নিৰ্বাপিত কৰিব লাগে।

ধুমুহাৰ
সময়ত ডাঙৰ গছ,
পচা গছ অস্থায়ীভাৱে
সজা ঘৰ আদিত
আশ্ৰয় ল'ব নালাগে।






ঘৰত থকা
বিভিন্ন বৈদ্যুতিক
উপকৰণৰ লগতে
মূল বৈদ্যুতিক চুইছ
বন্ধ কৰি ৰাখিব লাগে।

ঘৰৰ
দৰ্জা–খিৰিকী
আদি বতাহ
নোসোমাবলৈ
বন্ধ কৰি থ'ব লাগে।



ধুমুহা বলাৰ
সময়ত ঘৰৰ
বাহিৰত থাকিলে
মুকলি ঠাইলৈ গৈ মূৰটো দুই
আঁঠুত গুজি বহি দিব লাগে।

➤ আৰু কি কি কৰিব লাগে চিন্তা কৰি লিখোঁ



# জতুৱাৰ জঁট

‘আকাশত চাং পতা’ ‘নপতা ফুকনে’
‘অহকাণে-পহকাণে’ বহুকথা শুনে।
‘আলাসৰ লাড়ু’ খায় ‘গা নচুৱাই’
‘আটোম-টোকাৰি’টিও ‘গাই বাই চায়’।
‘অঁকৰা উঠিল মৈত’ লাগে ‘হুৱা-দুৱা’
সাধ্য নাই কাৰো তাক সহজে নমোৱা।
‘আঁকোৰ-গোজালি’ হয় ‘আপুতৰ পুত’
‘ঘিট্-মিট্’ আন্ধাৰত সবে দেখে ভূত।
‘জোলোঙা মেকুৰী’টো পৰিলে ওলায়
‘অলপ ধতুৱা’বোৰে বৰ ভয় খায়।
‘আঠুৱা-তলৰ মহ’ সঁচাই অকৰা
‘লোভত আপোন ঘাটি’ ‘আও মৰণে মৰা’।
মধুচ ফুটিলে চালে বৰযুণ সৰে
‘মূধা-ফুটা’ নামবোৰ ‘ঢক ফুটি’ পৰে।
নিশিকিলে, নাজানিলে ফকৰা-যোজনা
হয় বোলে তেনে লোক বুধিত টোকোনা।
‘গোটগৰু’ হ’লে হয় ‘আলৈ-আথানি’
পৰীক্ষাৰ বহীতো পাৰে ৰঙা-পেনে কণী।

**কবি – শ্ৰীগগন চন্দ্ৰ অধিকাৰী**





(১) কবিতাটোত থকা জতুৱা খণ্ডবাক্য আৰু ফকৰা-যোজনা কেইটা বিচাৰি লিখোঁ।

............................................................................

............................................................................

............................................................................

............................................................................

............................................................................

(২) ফকৰা যোজনা নিশিকিলে, নাজানিলে কি হয় বুলি কবিয়ে কৈছে?

............................................................................

............................................................................

(৩) কি হ'লে কবিয়ে 'আলৈ-আথানি' হয় বুলি কৈছে?

............................................................................

............................................................................

(৩) 'জতুৱাৰ জঁট' কবিতাটো কোনে ৰচনা কৰিছিল?

............................................................................



## অৰ্থ জানোঁ



| | | |
|---|---|---|
| আকাশত চাং পতা | — | অলীক কল্পনা |
| নপতা ফুকন | — | নিজে নিজকে ডাঙৰ বুলি ভৰা লোক |
| অহুকাণে-পহুকাণে | — | কাণ বাগৰা কথা |
| আলাসৰ লাডু | — | অতি মৰমৰ |
| গা নচুৱা | — | উলাসত দেও দি ফুৰা |
| আটোম-টোকাৰি | — | অতি সযতনে |
| গাই বাই চা | — | কৈ মেলি চোৱা |
| আঁঠুৱা তলৰ মহ | — | দুৰ্বল শত্ৰু, পৰাধীন |
| গোট গৰু | — | মহা মূৰ্খ |

➤ **তলৰ জতুৱা খণ্ডবাক্যকেইটাৰ অৰ্থ বিচাৰি লিখোঁ**

| | |
|---|---|
| অঁকৰা মৈত উঠা | — |
| হুৱা-দুৱা | — |
| আঁকোৰ-গোজালি | — |
| আপুতৰ পুত | — |
| জোলোঙাৰ মেকুৰী | — |
| লোভত আপোন ঘাটি | — |
| আও মৰণে মৰা | — |
| মূধা-ফুটা | — |
| আলৈ-আথানি | — |



## বাক্য গঠন কৰোঁ

আকাশত চাং পতা — সি ভৰা কথাটো **অকাশত চাং পতাৰ** দৰে কথা।

নপতা ফুকন —

অহুকাণে-পহুকাণে —

আলাসৰ লাড়ু —

গা নচুৰা —

আটোম-টোকাৰি —

গাই বাই চা —

অঁকৰা মৈত উঠা —

হুৰা-দুৰা —

আঁকোৰ-গোজালি —

আপুতৰ পুত —

জোলোঙাৰ মেকুৰী —

আঁঠুৰা তলৰ মহ —

লোভত আপোন ঘাটি —

আও মৰণে মৰা —

মুধা-ফুটা —

আলৈ-আথানি —



# শব্দ-শৃঙ্খল

২৪

➤ তলৰ শব্দ শৃঙ্খলখন চাওঁ

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| ১ | | ২ | ■ | ৩ | | ৪ | | |
| | ■ | ৫ | ■ | | ■ | | ■ | ■ |
| | ■ | ■ | ■ | | ■ | ৬ | | ৭ |
| ■ | ■ | ■ | ৮ | | ৯ | | ■ | |
| ১০ | | ■ | | ■ | | ■ | ১১ | |
| | ■ | ১২ | | ১৩ | | ■ | | ■ |
| ১৪ | | | ■ | | ■ | ■ | ১৫ | ১৬ |
| ■ | ■ | | ■ | ১৭ | | ১৮ | ■ | |
| ১৯ | | | | | ■ | ২০ | | |

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| উ | ৰু | কা | ■ | ব | হা | গ | বি | হু |
| ৰ | ■ | তি | ■ | ৰ | ■ | ৰু | ■ | ■ |
| হী | ■ | ■ | ■ | পে | ■ | বি | চ | না |
| ■ | ■ | ■ | ম | হা | বা | হু | ■ | হ |
| গা | ম | ■ | ৰ | ■ | দ | ■ | আঁ | ৰ |
| মো | ■ | জ | হা | মা | ল | ■ | চ | ■ |
| চা | উ | ল | ■ | নি | ■ | ■ | ল | গ |
| ■ | ■ | পা | ■ | মু | লু | ক | ■ | গ |
| ন | য় | ন | ম | ণি | ■ | বি | ৰি | ণা |

**পথালিকৈ**

১- বিহুৰ আগদিনা (৩)
৩- বঙালি বিহু (৩,২)
৬- শোৱা পাটি
৮- লুইতৰ আন এটা নাম (৪)
১০- এবিধ অসমীয়া গহণা
১১- লুকাই থকা (২)
১২- মেকুৰীৰ লেখীয়া গাটো জহা চাউলৰ দৰে গোন্ধোৱা এবিধ বনৰীয়া প্ৰাণী (৪)
১৪- বাকলি গুচোৱা ধানৰ গুটি (৩)
১৫- সংগ (২)
১৭- ঠাই (৩)
১৯- চকুৰ মণি (৫)
২০- এবিধ বন (৩)

**থিয়কৈ**

১- উবিধ লতাজাতীয় মাহ (৩)
২- এটা বিহু বা এটা মাহ (২)
৩- বৰপেটাৰ গিৰিহঁত (২,২)
৪- গৰুৰ বিহু (৪)
৭- এবিধ বিহুৰ বতৰৰ ফুল (৪)
৮- ফুল ফুলি উঠাৰ পিছৰ অৱস্থা (২)
৯- ডাৱৰ (৩)
১০- এবিধ বিছবান (৩)
১১- চাদৰৰ আগ (৩)
১২- লঘু আহাৰ (৪)
১৩- এবিধ ঔষধি গুণ থকা শাক (৪)
১৬- বিহুৰ এবিধ বাদ্য (৫)
১৮- এবিধ বতৰৰ পাচলি, কেবাবিধো পোৱা যায় (২)



# শব্দ-শৃঙ্খল



পূৰ কৰোঁ

| | | | | | | |
|---|---|---|---|---|---|---|
| ১ | | ২ | | | ৩ | |
| | | | | ৪ | | |
| ৫ | | | ৬ | | | |
| | | | | | | ৭ |
| ৮ | | | | ৯ | | |
| | | | ১০ | | | |
| | | ১১ | | | | |

**থিয়কৈ**

১) সাৰুৱা বা পলসুৱা

২) এবিধ পতংগ

৩) চন পৰি থকা মাটি

৬) মৰুভূমিত বাস কৰা এবিধ প্ৰাণী

৭) পানীত ফুলা এবিধ ফুল

৮) তাঁত বোৱা তিৰোতা

৯) নাৱ চলাবলৈ ব্যৱহাৰ কৰা এবিধ আহিলা

১০) এবিধ ফল

**পথালিকৈ**

৩) এবিধ মাছ ধৰা আহিলা

৪) এটা বিহু বা মাহ

৫) এবিধ বগাই যোৱা পাচলি

৮) এবিধ বনৰীয়া জন্তু

১০) মাটিৰ জোখ

১১) এবিধ বাদ্য





# জিতুৰ অসুখ



ৰিতু আৰু জিতু দুয়ো একেখন বিদ্যালয়ৰ তৃতীয় শ্ৰেণীৰ ছাত্ৰ। ৰিতু বিদ্যালয়লৈ নিয়মীয়াকৈ আহে। কিন্তু জিতু প্ৰায়ে বিদ্যালয়ত অনুপস্থিত থাকে। যাৰ বাবে সি শিক্ষণীয় দিশত অন্য ছাত্ৰ-ছাত্ৰীতকৈ পাছ পৰি থাকে। পুনৰ বিদ্যালয়লৈ আহোঁতে সি অনুপস্থিত থকাৰ সময়ত পাৰ হৈ যোৱা পাঠৰ অৰ্হতাসমূহ আহৰণ কৰাৰ সুবিধা নাপায়। শিক্ষকে জিতু বিদ্যালয়ত অনুপস্থিত থকাৰ কাৰণ জানিবৰ বাবে জিতুৰ ঘৰলৈ যাবলৈ থিৰাং কৰে।

শিক্ষকে জিতুৰ ঘৰলৈ গৈ দেখিলে যে, জিতুৰ ঘৰৰ পৰিৱেশ অপৰিষ্কাৰ, শৌচালয়, প্ৰস্ৰাৱগাৰ, বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা নাই। শিক্ষকজনে জিতুৰ অভিভাৱকৰ লগত আলোচনা কৰে। শিক্ষকে তেওঁলোক জনাই যে তেওঁলোকৰ ঘৰৰ পৰিৱেশ অস্বাস্থ্যকৰ। সেইবাবে তেওঁলোকৰ ল'ৰা-ছোৱালী সদায়ে বেমাৰত ভুগি থাকে।

ইয়াৰ পৰা পৰিত্ৰাণ পাবলৈ হ'লে বিশুদ্ধ খোৱাপানী, নিৰ্দিষ্ট স্থানত শৌচালয়, প্ৰস্ৰাৱগাৰৰ ব্যৱস্থা আৰু ঘৰৰ চৌপাশ চাফ-চিকুণকৈ ৰাখিব লাগে। শিক্ষকে লগতে জনালে যে, জিতু বিদ্যালয়ত উপস্থিত নাথাকিলে শিকিবলগীয়া বহু কথা শিকাৰ সুবিধা নাপাব।





১) জিতু সঘনাই বেমাৰত পৰাৰ কাৰণ আৰু ইয়াৰ প্ৰভাৱ –

| জিতু সঘনাই বেমাৰত পৰাৰ কাৰণ | প্ৰভাৱ |
| --- | --- |
| | |

২) বেমাৰৰ বাবে জিতুৰ যি ক্ষতি হ'ল সেইটো কেনেকৈ পূৰ কৰিব পাৰিব ?

.................................................................

.................................................................

.................................................................

.................................................................

৩) আমাৰ বেমাৰ-আজাৰ হ'লে কি কি ক্ষতি হয় ?

.................................................................

.................................................................

.................................................................



## বিভিন্ন সময়ত হোৱা বেমাৰৰ এখন তালিকা প্ৰস্তুত কৰোঁ



| ক্ৰ নং | মাহ | বেমাৰৰ নাম |
|---|---|---|
| ১ | জানুৱাৰী | |
| ২ | ফেব্ৰুৱাৰী | |
| ৩ | মাৰ্চ | |
| ৪ | এপ্ৰিল | |
| ৫ | মে | |
| ৬ | জুন | |
| ৭ | জুলাই | |
| ৮ | আগষ্ট | |
| ৯ | ছেপ্টেম্বৰ | |
| ১০ | অক্টোবৰ | |
| ১১ | নৱেম্বৰ | |
| ১২ | ডিচেম্বৰ | |

১) তালিকাখনৰ পৰা কি কি বেমাৰৰ নাম পালো লিখোঁ।

.................................................................................................

.................................................................................................

২) বছৰৰ কোনকেইটা মাহত বেমাৰ বেছি হয় ?

.................................................................................................

.................................................................................................

৩) কোনকেইটা ৰোগ বা বেমাৰ অধিক ক্ষতিকাৰক ?

.................................................................................................

.................................................................................................

৪) বেমাৰসমূহ প্ৰতিৰোধ কৰিবৰ বাবে আমি কি কি প্ৰতিকাৰৰ ব্যৱস্থা ল'ব পাৰোঁ ?

.................................................................................................

.................................................................................................

unicef for every child

# জিতুৰ অসুখ

জিতু তৃতীয় শ্ৰেণীত পঢ়ে। সি বিদ্যালয়ত প্ৰায়ে অনুপস্থিত থাকে। কাৰণ সি সঘনে বেমাৰত আক্ৰান্ত হয়। তাৰ এই শাৰীৰিক অসুস্থতাৰ বাবে সি পঢ়া-শুনাতো ভালদৰে মন দিব নোৱাৰে। জিতুৰ বেমাৰৰ বাবে বছৰি বহুতো টকা খৰছ হয়। তলত তাৰ বেমাৰৰ বাবে খৰছ হোৱা টকাৰ চমু খতিয়ান দাঙি ধৰা হ'ল —

**ডাক্তৰক এবাৰ দেখুওৱা খৰছৰ খতিয়ান**

ডাক্তৰৰ এবাৰত চোৱাৰ খৰছ - ৩০০ টকা

তেজ পৰীক্ষা - ৫০০ টকা

প্ৰস্ৰাৱ পৰীক্ষা - ৩০০ টকা

চেলাইন প্ৰতিটো - ১৬০ টকা

প্ৰতিদিনৰ ৰুমৰ ভাড়া - ৫০০টকা

ঔষধৰ খৰছ - প্ৰায় ১০০০ টকা

হোটেলত খোৱাৰ খৰছ- প্ৰায় ৪০০টকা



১) জিতুৰ ডাক্তৰক দেখুওৱাৰ এদিনৰ খৰছ কিমান উলিয়াওঁ ?

..........................................................................

..........................................................................

..........................................................................

..........................................................................





২) বছেৰেকত যদি জিতুৱে ৪ বাৰ ডাক্তৰৰ ওচৰলৈ যাব লগা হয়, তেন্তে তাৰ কিমান টকা খৰছ হ'ব ?

.............................................................................

.............................................................................

.............................................................................

.............................................................................

.............................................................................

৩) যোৱা পাঁচ বছৰৰ পৰা জিতু বেমাৰত আক্ৰান্ত হৈ আহিছে। সেয়ে জিতুৱে পাঁচ বছৰত কিমান টকা বেমাৰৰ কাৰণে খৰছ কৰিছে ?

.............................................................................

.............................................................................

.............................................................................

.............................................................................

.............................................................................

.............................................................................





# ভাল অভ্যাসসমূহ

আজি স্কুলত বঁটা বিতৰণী অনুষ্ঠান পাতিছে। গোটেই বছৰটোত ভিতৰতে যিগৰাকী ছাত্ৰ বা ছাত্ৰীয়ে সৰহ দিন স্কুললৈ আহিছে আৰু পঢ়া-শুনাৰ লগতে খেল-ধেমালী, নাচ-গান আদিত সকলোতকৈ ভাল ফলাফল দেখুৱাইছে তেওঁক এই বছৰৰ ‘বৰ্ষ শ্ৰেষ্ঠ শিক্ষাৰ্থী’ বঁটাৰে শুভেচ্ছা জনোৱা হ’ব।

অনিতা চতুৰ্থ শ্ৰেণীত পঢ়ে। তাই বিদ্যালয়লৈ নিয়মীয়াকৈ আহে। তাই যথেষ্ট পৰিপাটী আৰু স্বাস্থ্যৰ প্ৰতি সচেতন। অন্য ছাত্ৰ-ছাত্ৰীৰ দৰে তাই বেমাৰ বা অন্য অজুহাতত কোনো দিন বিদ্যালয়লৈ নহাকৈ থকা নাই। পঢ়া-শুনাৰ লগতে খেল-ধেমালি, নাচ-গানতো তাই বৰ মনোযোগ আৰু আগ্ৰহেৰে অংশগ্ৰহণ কৰে।

যোৱা দুবছৰৰ দৰে এইবাৰো অনিতাকে বৰ্ষ শ্ৰেষ্ঠ শিক্ষাৰ্থী সন্মান জনোৱা হৈছে। তাই যথেষ্ট উৎফুল্লিত। বিদ্যালয় পৰিচালনা সমিতিয়ে তাইক বঁটা যাঁচিছে। বিদ্যালয়ৰ প্ৰধান শিক্ষক ছাৰে তাইক তাইৰ এই সফলতাৰ আঁৰৰ কাহিনী ক’বলৈ অনুৰোধ জনালে। ছাৰৰ অনুৰুধ ৰাখি মঞ্চত থিয় হৈ ক’বলৈ ধৰিলে – “মাননীয় প্ৰধান শিক্ষক মহোদয় প্ৰমূখ্যে মোৰ অতি শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল আৰু বিদ্যালয় পৰিচালনা সমিতিৰ বিষয়ববীয়া তথা সহপাঠী বন্ধু-বান্ধৱীসকল, মই আজি বহুত সুখী কিয়নো যোৱা দুবছৰৰ দৰে এইবাৰো মইয়ে বিদ্যালয়ৰ বৰ্ষশ্ৰেষ্ঠ শিক্ষাৰ্থী বঁটা লাভ কৰিছো। ইয়াৰ বাবে মই প্ৰথমে শলাগ ল’ব লাগিব মোৰ ঘৰখনৰ, কিয়নো আমাৰ পৰিয়ালৰ সকলোৱে চাফ্ -চিকুণতা আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ ওপৰত গুৰুত্ব দিওঁ। যাৰ বাবে আমি কিছুমান সৰু-সুৰা ৰোগৰ পৰা আঁতৰি থাকিব পাৰোঁ। কিছুমান ভাল অভ্যাস যেনে- অনাময় শৌচাগাৰ ব্যৱহাৰ, শৌচ কৰাৰ পাছত চাবোনেৰে হাত-ভৰি ধোৱা, ক’ৰবাৰ পৰা আহি আৰু খোৱাৰ আগত সদায় চাবোনেৰে হাত ধোৱা, মুকলিত থোৱা খাদ্য আৰু খোৱাৰ অনুপযোগী কিছুমান বস্তু যেনে- বাহি আহাৰ, চিপছ্ আদি পেকেট আদি পৰিহাৰ কৰা, হাঁহ-কুকুৰা-গাহৰি আদিৰ গঁৰাল আৰু গোহালি ঘৰৰ পৰা আঁতৰত বনোৱা আদি কিছুমান কথা মানি চলাৰ বাবেই আমি বহুটো বেমাৰৰ পৰা আঁতৰি থাকোঁ। ইয়াৰ লগতে সুষম খাদ্য আৰু যথেষ্ট পৰিমাণে বিশুদ্ধ খোৱাপানী খাওঁ। শুৱাৰ সময়ত সদায় আঠুঁৱা তৰোঁ।

এই স্বাস্থ্য বিধিসমূহ যদি মোৰ সহাপাঠী বন্ধু-বান্ধৱীসকলে মানি চলে তেনেহ’লে তোমালোকেও এই বঁটা আৰু সন্মান লাভ কৰিবা। ধন্যবাদ।”

unicef
for every child





(১) টোকাটোত থকা যুক্তাক্ষৰ কেইটা বিচাৰি লিখোঁ।

(২) যুক্তাসমূহৰ পৰা নতুন শব্দ লিখোঁ।

| শব্দ | | যুক্তাক্ষৰ | | নতুন শব্দ |
|---|---|---|---|---|
| অনুষ্ঠান | → | ষ্ঠ = ষ + ঠ | | প্ৰতিষ্ঠান |
| | → | | → | |
| | → | | → | |
| | → | | → | |
| | → | | → | |
| | → | | → | |
| | → | | → | |





## ➤ বিপৰীত শব্দ লিখোঁ

| | |
|---|---|
| সফলতা - ...................... | দিন - ......................... |
| পৰিস্কাৰ - ...................... | সুখী - ......................... |
| বন্ধু - ...................... | সন্মান - ......................... |
| পৰিপাটি - ...................... | অনুপযোগী - ......................... |
| ভাল - ...................... | মনোযোগ - ......................... |
| শিক্ষক - ...................... | নিয়মীয়া - ......................... |

## ➤ বাক্য গঠন কৰোঁ

সফলতা - ...........................................................................।

পৰিস্কাৰ - ...........................................................................।

বন্ধু - ...........................................................................।

পৰিপাটি - ...........................................................................।

ভাল - ...........................................................................।

শিক্ষক - ...........................................................................।

সন্মান - ...........................................................................।

নিয়মীয়া - ...........................................................................।

মনোযোগ - ...........................................................................।

সন্মান - ...........................................................................।





# হাত ধোৱাৰ পাঁচটা নিয়ম ঃ



১ হাত দুখন পানীৰে তিয়াই চাবোন ব্যৱহাৰ কৰা



২ দুয়োখন হাতৰ তলুৱা ভালদৰে ঘঁহা



৩ তলুৱা দুখনৰ সন্মুখ আৰু পিঠি দুয়োফালেই আৰু আঙুলিৰ ফাঁকে ফাঁকেও ঘঁহা



৪ আঙুলিৰ আগবিলাক আৰু নখবিলাক হাতৰ তলুৱাত ঘঁহা। দুয়োখন হাততে এইটো কৰা



৫ পানীৰে হাত দুখন ধোৱা।

ওপৰৰ ছবি কেইখন চোৱা আৰু তোমাৰ নিজৰ হাত দুখন চাফা কৰা।

unicef for every child





(১) আমি হাত দুখন কিয় পৰিষ্কাৰ কৰি ৰাখিব লাগে ?

(২) আমি কেতিয়া হাত ধুব লাগে ?

(৩) হাত নুধুলে কি কি বেমাৰ হ'ব পাৰে ?



৩৬




১) ওপৰৰ চিত্ৰখনত কি কি দেখিছো লিখোঁ।

..........................................................................

..........................................................................

..........................................................................

..........................................................................





২) এই বাৰ্তাটো কোনে প্ৰচাৰ কৰিছে ?

৩) এতিয়ালৈকে কিমান লোক ক'ৰণাত আক্ৰান্ত হৈছে ?

৪) কোভিদ ১৯ ৰ লগত কৰা যুঁজখনত আমাৰ প্ৰধান অস্ত্ৰ কি ?

৫) আমি কিয় মাস্ক পৰিধান কৰিব লাগে ?

৬) কি কি সাৱধানতা অৱলম্বন নকৰিলে আমি কোভিদ ১৯ আক্ৰান্ত হ'ব পাৰোঁ ?





# The Ant and the Dove



One day a dove was sitting on a branch of a tree near a river.



An ant slipped and fell into the river. He cried help! help! I can't swim.





The dove saw that the tiny ant was drowning and quickly pulled off a leaf and dropped it down to the ant.





The ant climbed on to the leaf and sailed on it.



## Write Answer



1. Who was sitting on a branch of a tree ?

........................................................................................................

2. What happened to an ant ?

........................................................................................................


3. What did the dove do ?

........................................................................................................

**Add -ing :**

swim .......... help..............

drop ............ slip ...............




climb ........... drown .........

**Write the new words.**

1. Swimming
2.
3.
4.
5.
6.



# The hunter and the flock of birds



Once upon a time a flock of birds lived in a tree. They lived there happily.






One day a hunter saw them. He made a plan to catch them and spread a net under the tree



The birds began to cry. An old bird then said," Don't be afraid, friends. Do as I say.



One, two, three, fly. The birds flew with the net.



## Write Answer



1. Where did the bird live ?

..............................................................................................

2. Who saw the birds ?

..............................................................................................

3. What did the hunter do ?

..............................................................................................

4. Who said, "Don't be afraid, friends, Do as I say." ?

..............................................................................................

### Make words

**at, in, ed, un, an**

| at | in | ed | un | an |
|---|---|---|---|---|
| b | p | r | b | p |
| r | b | f | s | m |
| c | s | t | r | f |
| m | t | b | g | c |

| | | | | |
|---|---|---|---|---|
| bat | ............... | ............... | ............... | ............... |
| ............... | ............... | ............... | ............... | ............... |
| ............... | ............... | ............... | ............... | ............... |
| ............... | ............... | ............... | ............... | ............... |

# The Sour Grapes



Once upon a time, there was a fox in the jungle. One day he was very hungry. So he went out looking for food but he could not find any.



Then he came to a garden a garden of grapes. There were bunches of ripe, sweet and juicy grapes.



The fox said to himself, "I must have those grapes." He jumped high to reach the grapes but missed. He tried again and again and again, but failed to get the grapes.



He was tired and sad. The fox then walked away, saying in a low voice "Grapes are sour."



## Write Answer



1. Who was hungry one day ?

..........................................................................................

2. What was he looking for ?

..........................................................................................

3. Did he find any food ?

..........................................................................................

4. Who said, “Grapes are sour.” ?

..........................................................................................

**Write rhyming words:**

| | | |
|---|---|---|
| box ____________ | look ____________ | sad __________ |
| day ____________ | jump ____________ | came __________ |

**Frame sentences:**

1. jungle - ..........................................................................................
2. garden - ..........................................................................................
3. hungry - ..........................................................................................
4. sweet - ..........................................................................................
5. ripe - ..........................................................................................

unicef
for every child






# The Monkey and the Crocodile



Once upon a time there was a monkey in a forest. He lived on a rose apple tree standing beside a river.

One day the monkey saw a crocodile near the tree. He said, "Hello sir! We haven't met before, have we? Where are you from?"

"Hello! I am the crocodile. I live down the river. I often pass by this tree. You know it, don't you? I have been swimming for a long time today. I am so hungry! Would you mind dropping some rose apples to me?"



"Oh, sure" said the monkey. He plucked a few rose apples and dropped them down for the crocodile.

"Thank you" said the crocodile. "This is delicious. Would you mind if I visit sometimes for these delicious rose apples?"

"You are always welcome" said the monkey. "You are my guest. You can have rose apples whenever you like."



The next day the crocodile visited the monkey again. The monkey offered him some of the fruits and said, "Why don't we become friends?"

"Certainly", said the crocodile, "I will be delighted to have you as a friend."

One day the crocodile took some ripe apples to his wife. "Delicious! It's like honey!" exclaimed his wife. "Where did you get them?" The crocodile told his wife about his friendship with the monkey.

She thought for a while and said, "I would like to taste the heart of your friend. I am sure it is sweeter than those rose apples. Bring me his heart."

"Whose heart? The monkey'? But he is my friend," said the crocodile. "He is my best friend."

But his wife did not listen to him. "I want the heart of that friend of yours," she repeated.



The crocodile was at a loss. He did not want to displease his wife. He visited the monkey and said to him, "We have been friends for such a long time. You haven't visited our house. My wife is eager to see you."

"That's very kind of you," said the monkey. Soon he was on the crocodile's back.

On the way the crocodile told his friend about his wife's desire to taste his heart. The monkey realized that his life was in danger. He said, "Of course she can taste my heart. But why didn't you tell me before? I never carry my heart with me. I kept in a hole in the trunk of the tree. Let's go back. I will fetch it for her."



The crocodile believed what the monkey said. He swam back to the bank of the river. Reaching the bank, the monkey took a quick leap and went up the tree. He knew how close to death he was.

He looked at the crocodile waiting for him and said, "What a fool you are! How could you believe that I keep my heart in the tree? Go away and don't come back to me again. One should never trust an unfaithful friend."





**1. Rearrange the letters and write the word.**

orcocidel ……………. nemoyk …………... rifnesd ……….........

irevr ……….......... edilhgtde ……………. delighted

**2. Read the story and write the words ending with …ing (example :waiting)**

………………. …………………... ……………….

………………. …………………... ……………….

………………. …………………... ……………….

**3. Answer the following question.**

a. Where did the monkey live?

………………………………………………………..................................

b. Whom did the monkey meet one day?

………………………………………………………..................................

c. Who wanted to eat the monkey's heart?

………………………………………………………...................................

d. When did the monkey take a leap and jump to the tree?

………………………………………………………..................................

**4. Write the opposite word**

back ……...... up ……........... quick …........... day ....................

close ……...... go …............... friend …........... wife ...................





**1. Write questions for the following answers.**

a. This is a paddy field.

........................................................................................................................

b. My name is Raja

........................................................................................................................

c. Madhab said that he was worried.

........................................................................................................................

d. Madhab has two sons.

........................................................................................................................

**2. Fill in the blanks with connecting words/letters to complete the sentence.**

a. Pankaj ……...................………. Raja were very delighted.

b. They dig up the field ……...........………… found no treasure.

c. Pankaj went to the field ……................…….. his brother.

d. Rajen never liked to work ……..............…….he was lazy.

**3. Add 'ly' or 'ness' to the following words in the bracket and complete the sentence.**

a. She sings ……………….(sweet)

b. The man gave him some treasure and showed his …………..(kind)

c. The old lady waiked ……………..(slow)

d. She was loved by all for her ……………(humble)





**4. Arrange the sentence in porper order.**

- Second they sowed some seeds.
- Next day watered the crops.
- Finally they harvested the ripened crops.
- First they dig up the field.
- Then they saw their field filled with crops.

1.......................................................................................................................

2 .......................................................................................................................

3.......................................................................................................................

4.......................................................................................................................

5 .......................................................................................................................

**5. Read the sentence. Put full stop/question mark/exclamation mark at the end of each sentences accordingly.**

a. What a beautifull dress

b. What are you doing

c. I am feeling happy

মই ভালপোৱা ফুলৰ নাম

মই ভালপোৱা খেলৰ নাম

মোৰ বন্ধু-বান্ধৱীৰ নাম

মোৰ মা-দেউতাৰ নাম

# দৈনিক অগ্ৰগতিৰ খতিয়ান

| কাৰ্ড নং | তাৰিখ | চিন দিওঁ (✔) |
|---|---|---|
| | | পাৰিছো / নাই পৰা |
| | | পাৰিছো / নাই পৰা |
| | | পাৰিছো / নাই পৰা |
| | | পাৰিছো / নাই পৰা |
| | | পাৰিছো / নাই পৰা |
| | | পাৰিছো / নাই পৰা |
| | | পাৰিছো / নাই পৰা |
| | | পাৰিছো / নাই পৰা |
| | | পাৰিছো / নাই পৰা |
| | | পাৰিছো / নাই পৰা |
| | | পাৰিছো / নাই পৰা |
| | | পাৰিছো / নাই পৰা |
| | | পাৰিছো / নাই পৰা |
| | | পাৰিছো / নাই পৰা |
| | | পাৰিছো / নাই পৰা |
| | | পাৰিছো / নাই পৰা |
| | | পাৰিছো / নাই পৰা |
| | | পাৰিছো / নাই পৰা |
| | | পাৰিছো / নাই পৰা |
| | | পাৰিছো / নাই পৰা |
| | | পাৰিছো / নাই পৰা |
| | | পাৰিছো / নাই পৰা |
| | | পাৰিছো / নাই পৰা |
| | | পাৰিছো / নাই পৰা |

| কাৰ্ড নং | তাৰিখ | চিন দিওঁ (✔) |
|---|---|---|
| | | পাৰিছো / নাই পৰা |
| | | পাৰিছো / নাই পৰা |
| | | পাৰিছো / নাই পৰা |
| | | পাৰিছো / নাই পৰা |
| | | পাৰিছো / নাই পৰা |
| | | পাৰিছো / নাই পৰা |
| | | পাৰিছো / নাই পৰা |
| | | পাৰিছো / নাই পৰা |
| | | পাৰিছো / নাই পৰা |
| | | পাৰিছো / নাই পৰা |
| | | পাৰিছো / নাই পৰা |
| | | পাৰিছো / নাই পৰা |
| | | পাৰিছো / নাই পৰা |
| | | পাৰিছো / নাই পৰা |
| | | পাৰিছো / নাই পৰা |
| | | পাৰিছো / নাই পৰা |
| | | পাৰিছো / নাই পৰা |
| | | পাৰিছো / নাই পৰা |
| | | পাৰিছো / নাই পৰা |
| | | পাৰিছো / নাই পৰা |
| | | পাৰিছো / নাই পৰা |
| | | পাৰিছো / নাই পৰা |
| | | পাৰিছো / নাই পৰা |
| | | পাৰিছো / নাই পৰা |